**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আপোচবিহীন সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ৩১ সংখ্যক মৃত্যু দিৱস আজি ৰাজ্যজুৰি ছহিদ দিৱস হিচাপে পালন কৰা হয়।

ডিব্ৰুগড় প্ৰেছ ক্লাৱত আজি এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত সাংবাদিকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে তেওঁৰ কৰ্মজীৱনৰ ওপৰত আলোকপাত কৰা হয়। সাংবাদিকে সন্মুখীন হোৱা সমস্যাসমূহৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰতিগৰাকী সাংবাদিককে একত্ৰিত হৈ ইয়াৰ সমাধানৰ বাট মুকলি কৰিবলৈ উপস্থিত সকলোৱে সংকল্প লয়।

লখিমপুৰ জিলাৰ চাউলধোৱা থেকেৰাগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত মানৱাধিকাৰ সংগ্ৰাম সমিতিৰ আঞ্চলিক সমিতিৰ উদ্যোগত শ্বহীদ দিৱস তথা পৰাগ স্মৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বৰ্তমান সময়ত সাংবাদিকৰ মানৱাধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া দায়িত্ব সন্দৰ্ভত আলোচনা কৰা হয়। এই অনুষ্ঠানতে স্থানীয় সাংবাদিকসকলক সম্বৰ্ধনা জনোৱাৰ উপৰি অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন পত্ৰ প্ৰদান কৰা হয়।

ধেমাজি জিলাৰ মাছখোৱাত নিৰ্যাতন বিৰোধী ঐক্য মঞ্চৰ উদ্যোগত পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়।

উল্লেখযোগ্য যে পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এটা অনুষ্ঠানত আজি প্ৰবীণ সাংবাদিক-সম্পাদক, লেখক হাইদৰ হুছেইনক পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। ০

০০০

নগাঁও জিলাৰ কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জুমুৰমুৰ গাঁও পঞ্চায়তে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ অধীনত দীনদয়াল উপাধ্যায় পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ আৰু নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত পুৰস্কাৰ লাভ কৰিছে। অহা ৩ জুনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এহেজাৰ ২৪৫ টা পৰিয়ালে বসবাস কৰা এই পঞ্চায়তৰ জনসংখ্যা ৬ হাজাৰ ৩২। পঞ্চায়তৰ সভানেত্ৰী উমুমা চাকিনৰ নেতৃত্বত পঞ্চায়তখনে কেতবোৰ লেখত ল'বলগীয়া কাৰ্যসূচী গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। এই সন্দৰ্ভত গাওঁ পঞ্চায়তৰ সচিব চুংৰাদান নাৰ্জাৰীয়ে এইদৰে কয়।

বাইট

উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত দেশৰ বিভিন্ন প্ৰান্তৰ ৪২ খন পঞ্চায়তক বাচনি কৰা হৈছে। অসমৰ শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও পঞ্চায়তৰ নানাজি দেশমুখ সৰ্বোত্তম পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্ব-নিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০

লখিমপুৰৰ নাৰায়ণপুৰত থকা শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুসৰি মুকলি সভা আৰু বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। মাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত অনুষ্ঠিত সত্ৰীয়া কৃষ্টি কৰ্মশালাত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলে বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানত বিহপুৰীয়া  বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ভূপেন বৰা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ অৰূপজ্যোতি চৌধুৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে আজি সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা বৃহত্তৰ নাৰায়ণপুৰ-বিহপুৰীয়া অঞ্চলৰ ৪ গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক হৈছে স্বাধীনতা সংগ্ৰামী **নিৰ্মলা গোস্বামী**, সত্ৰীয় শিল্পী **হৰিচৰণ শইকীয়া**, সমাজসেৱক **গোলক হাজৰিকা** আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী **প্ৰেমধৰ বৰা**।

০০০০

বজালী জিলাৰ কুৰোবাহা গাওঁ নিৱাসী কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱান কমল তালুকদাৰৰ কালি কৰ্মস্থলীতে মৃত্যু হয়। ৪৭ বছৰীয়া জোৱানগৰাকী কৰ্মসূত্ৰে অৰুণাচল প্ৰদেশত আছিল। জোৱানগৰাকী কালি সন্ধিয়া কৰ্তব্য সমাপন কৰি নিজৰ কেম্পত আহি পোৱাৰ পাছতে অকস্মাত ধলি পৰাত সতীৰ্থ জোৱানসকলে তেওঁক চিকিৎসালয়লৈ লৈ যায়। পাছত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। জোৱানগৰাকীৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে-ডেলহি কেপিটেলছক জয়ৰ বাবে ১৯৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে আজি ধৰমশালাত অনুষ্ঠিত আন এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে, পাঞ্জাব কিংছক ২৩ ৰানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২২২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ভেংকটেছ আয়াৰে সৰ্বাধিক ৭৩ ৰান কৰে। বিৰাট কোহলিয়ে ৫৮ আৰু দেৱদত্ত পাৰ্ডিকলে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৯৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ